**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-08-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। মাতৃভাষা মাধ্যমৰ বেচৰকাৰী বিদ্যালয়সমূহৰ ২৫ শতাংশ আসন দৰিদ্ৰ শিক্ষাৰ্থীৰ বাবে সংৰক্ষিত কৰিবলৈ ৰাজ্যিক কেবিনেটত প্ৰস্তাৱ। এহেজাৰ ৭৬৬ গৰাকী গণিত বিষয়ৰ স্নাতক শিক্ষকক নিযুক্তিৰ সিদ্ধান্ত গ্ৰহণ।

২। ৰাজ্যত অহা ডিচেম্বৰৰ ভিতৰতে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে বুলি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ প্ৰকাশ।

৩। অসম আৰু মিজোৰামৰ মাজত সীমা বিবাদ নিষ্পত্তিৰ বাবে মন্ত্ৰীপৰ্যায়ৰ বৈঠক সম্পন্ন। সীমান্তৱৰ্তী জিলাত যৌথভাৱে সাংস্কৃতিক আৰু ক্ৰীড়া অনুষ্ঠান আয়োজনৰ পোষকতা।

**আৰু**

৪। পেৰিছ অলিম্পিকত ভাৰতীয় মল্লযোদ্ধা অমন শ্বেহৰাৱটৰ ব্ৰঞ্জৰ পদক অৰ্জন।

০০০০০০

শিক্ষা খণ্ডত উন্নয়ন আৰু নিযুক্তি বৃদ্ধিৰ লক্ষ্যৰে কালি ৰাজ্যিক কেবিনেটে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেবিনেট বৈঠকত মাতৃভাষা মাধ্যমৰ বেচৰকাৰী বিদ্যালয়সমূহৰ ২৫ শতাংশ আসন দৰিদ্ৰ শিক্ষাৰ্থীৰ বাবে সংৰক্ষিত কৰি ৰখাৰ প্ৰাৰম্ভিক প্ৰস্তাৱ আগবঢ়ায়। তেওঁ কয় যে, এই প্ৰস্তাৱ অনুমোদনৰ পাছত কাৰ্যকৰী হ'লে সামাজিক সংস্থাৰ দ্বাৰা পৰিচালিত অসমীয়া বা আন থলুৱা মাধ্যমৰ মান সম্পন্ন বেচৰকাৰী বিদ্যালয়ত সংৰক্ষিত ২৫ শতাংশ আসন দুখীয়া ল'ৰা-ছোৱালীৰ বাবে মুকলি কৰি দিয়া হ'ব আৰু তেনে শিক্ষাৰ্থীৰ মাচুল ৰাজ্য চৰকাৰে বহন কৰিব। ইপিনে কেবিনেটত লোৱা সিদ্ধান্তমৰ্মে ৰাজ্যৰ বিদ্যালয়সমূহত শীঘ্ৰেই এহেজাৰ ৭৬৬ গৰাকী গণিত বিষয়ৰ স্নাতক শিক্ষকক নিযুক্তি প্ৰদান কৰা হ'ব। তদুপৰি পলিটেকনিক তথা অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ২২১টা পদতো নতুন নিযুক্তি প্ৰদানৰ ব্যৱস্থা কৰা হ'ব।

ৰাজ্যিক কেবিনেটৰ এই সিদ্ধান্তৰ পাছতেই শিক্ষা মন্ত্ৰী ডা- ৰণোজ পেগুৱে সংবাদ মাধ্যমৰ আগত এইবুলি কয় যে, শিক্ষাসেতু এপ আৰু বিদ্যা সমীক্ষা কেন্দ্ৰই বিষয় অনুপাতে শিক্ষক-শিক্ষয়িত্ৰীৰ উপলব্ধতা বিশ্লেষণৰ মাধ্যমেৰে দিয়া তথ্য অনুসৰি বিজ্ঞান বিষয়ৰ ৪ হাজাৰৰো অধিক স্নাতক শিক্ষকৰ ভিতৰত কেৱল এহেজাৰ ২০০ গৰাকীহে গণিত স্নাতক। তেওঁ কয় যে, এই পৰিসংখ্যাৰ ভিত্তিতেই মাধ্যমিক বিদ্যালয়সমূহত গণিতৰ স্নাতক শিক্ষকক নিযুক্তি দিয়াৰ বাবে অতিৰিক্ত পদ সৃষ্টি কৰিবলৈ কেবিনেটে অনুমোদন জনাইছে। তেওঁ লগতে কয় যে, বিদ্যালয়সমূহত পৰ্যাপ্ত গণিত শিক্ষক নথকা বাবেই শিক্ষাৰ্থীৰ গণিতৰ প্ৰতি অহেতুক ভীতি বৃদ্ধি পাইছে। ইপিনে দীৰ্ঘদিন ধৰি খালী হৈ থকা আৰবী, পাৰ্চী আদিৰ দৰে বিষয়ৰ অনুমোদিত পদসমূহৰ শীঘ্ৰেই বিলুপ্তি ঘটাই তাৰ ঠাইত বিষয় অনুসৰি নিযুক্তি সম্পন্ন কৰাৰ পৰিকল্পনা কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০০

শাৰদীয় দুৰ্গোৎসৱৰ পাছতেই ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে প্ৰতিটো উন্নয়ন খণ্ডৰ লগতে গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ পুনৰ গঠন প্ৰক্ৰিয়া অনুষ্ঠিত কৰা হ'ব। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কালি তিনিচুকীয়াত সংবাদ মাধ্যমৰ আগত এই কথা সদৰি কৰি কয় যে, পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে অহা ১ ছেপ্তেম্বৰৰ ৭ ছেপ্তেম্বৰৰ ভিতৰত ৰাজ্যৰ উন্নয়ন খণ্ডসমূহৰ পুনৰ গঠন প্ৰক্ৰিয়া সম্পন্ন হ'ব। তেওঁ লগতে কয় যে, ৭ ছেপ্তেম্বৰৰ পাছত খচৰাৰ সংক্ষিপ্তৰূপ প্ৰকাশ পাব আৰু ৰাইজৰ কিবা ওজৰ-আপত্তি থাকিলে সেইসমূহ ১৭ ছেপ্তেম্বৰৰ ভিতৰত নিস্পত্তি কৰিব লাগিব। জনতাৰ ওজৰ-আপত্তিক লৈ যদি কিবা সংশোধন কৰিবলগীয়া তেন্তে সেয়া জিলা আয়ুক্তই সম্পূৰ্ণ কৰিব। আনহাতে ১৭ ছেপ্তেম্বৰৰ পাছত খচৰাৰ চূড়ান্ত তালিকা প্ৰকাশ পালে জিলা আয়ুক্তই সেই তালিকা ৰাজ্যিক নিৰ্বাচন আয়োগক প্ৰদান কৰিব। সেই অনুসৰি অহা ডিচেম্বৰৰ ভিতৰতেই পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা যাব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিছে।

০০০০০০

সমাগত স্বাধীনতা দিৱস উপলক্ষে দেশজুৰি আয়োজিত হ'বলগীয়া **ঘৰে ঘৰে ত্ৰিৰংগ** কাৰ্যসূচী অসমতো ৰূপায়ণ কৰা হ'ব। কালি সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাৰ সভাপতিত্বত দিছপুৰৰ জনতা ভৱনত আয়োজিত এখন সভাত কাৰ্যসূচীসমূহ চূড়ান্ত কৰাৰ লগতে পৰ্যালোচনাও কৰা হয়। সভাত অহা ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈ আয়োজিত হ'ব লগা ঘৰে ঘৰে ত্ৰিৰংগা কাৰ্যসূচীত গ্ৰামীণ জীৱিকা অভিযানৰ বিষয়াসকলক জীৱিকা সখীৰ দ্বাৰা সমগ্ৰ ৰাজ্যতে স্কুটী ৰেলী অনুষ্ঠিত কৰাৰ বাবে নিৰ্দেশ দিয়া হয়। সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত অহা ১৩ আগষ্টত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত **ত্ৰিৰংগ সমলয়** শীৰ্ষক দেশপ্ৰেমমূলক গীতৰ এটা অনুষ্ঠান আয়োজন কৰা হ'ব। এই অনুষ্ঠানতে চৰকাৰী চাৰু কাৰু কলা মহাবিদ্যালয়ে দেশপ্ৰেম আৰু বিকশিত অসমক বিষয়বস্তু হিচাপে অঁকা এখন বৃহৎ ত্ৰিৰংগ কেনভাছ প্ৰদৰ্শন কৰাৰ লগতে অন্য এখন ডাঙৰ কেনভাচত ঘৰে ঘৰে ত্ৰিৰংগ আৰু জয় হিন্দ বুলি উপস্থিত সকলোৱে লিখিব। এই অনুষ্ঠানত সাংস্কৃতিক মন্ত্ৰী বিমল বৰা উপস্থিত থাকিব। আনহাতে এই সভাত জনসংযোগ বিভাগক ঘৰে ঘৰে ত্ৰিৰংগ বাৰ্তা প্ৰচাৰৰ বাবে হৰ্ডিং লগোৱাৰ লগতে টেলিভিছন যোগে এই সন্দৰ্ভত প্ৰচাৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। গুৱাহাটী পৌৰ নিগমৰ সকলো ব্যৱসায়িক প্ৰতিষ্ঠানতে ত্ৰিৰংগ পতাকা উত্তোলনৰ বাবে লগতে পাৰিলে অন্যকো একোখন জাতীয় পতাকা আগবঢ়োৱাৰ বাবে আহ্বান জনাবলৈ নিৰ্দেশ দিয়া হয়।

০০০০০০

অসম মিজোৰামৰ মাজৰ দীৰ্ঘদিনীয়া সীমা সমস্যা সমাধানৰ বাবে কালি দুয়োখন ৰাজ্যৰ মাজত এখন মন্ত্ৰীপৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। অসমৰ সীমান্ত সুৰক্ষা আৰু উন্নয়ন মন্ত্ৰী অতুল বৰা তথা মিজোৰামৰ গৃহমন্ত্ৰী কে সপদাংগাৰ নেতৃত্বত অনুষ্ঠিত এই বৈঠকত আন্তঃৰাজ্যিক সীমা বিবাদৰ সমাধানৰ লক্ষ্যৰে এখন যুটীয়া বিবৃতি স্বাক্ষৰিত হয়। উল্লেখযোগ্য যে চলিত বৰ্ষৰ আৰম্ভণিতে দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে সীমান্তত শান্তি স্থাপন আৰু সংঘাত ৰোধৰ বাবে আৰম্ভ কৰা **সদিচ্ছা অভিযান**ৰ ভিত্তিত যৌথ বিবৃতিখনত দুয়োটা পক্ষই স্বাক্ষৰ কৰে। বিবৃতিত উল্লেখিত প্ৰস্তাৱ অনুসৰি দুয়োখন ৰাজ্যই নিজ নিজ সীমান্তত সমন্বয় বজাই ৰখাৰ বাবে যৌথভাৱে সাংস্কৃতিক আৰু ক্ৰীড়া উৎসৱৰ আয়োজন কৰিব। এই অনুষ্ঠানসমূহ অহা বছৰৰ ৩১ জানুৱাৰীৰ পূৰ্বেই আৰম্ভ হ'ব। তদুপৰি সীমান্ত সমস্যা সৌহাৰ্দ্যপূৰ্ণভাৱে সমাধানৰ লক্ষ্যৰে দুয়োখন চৰকাৰৰ মন্ত্ৰী তথা চৰকাৰী বিষয়াসকলে ধাৰাবাহিকভাৱে

বৈঠক অনুষ্ঠিত কৰিব। সেই অনুসৰি অহা ৩১ মাৰ্চৰ পূৰ্বে গুৱাহাটীত পৰৱৰ্তী মন্ত্ৰীপৰ্যায়ৰ বৈঠকখন অনুষ্ঠিত কৰা হ'ব। ইপিনে কালিৰ এই বৈঠকত দুয়োখন ৰাজ্যই বহিঃ ৰাষ্ট্ৰৰ পৰা হোৱা চুপাৰিৰ চোৰাং সৰবৰাহ প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত শূন্য সহনশীল নীতি গ্ৰহণ কৰা, সীমান্তৱৰ্তী জিলাৰ আয়ুক্ত আৰু আৰক্ষী অধীক্ষক সকলৰ নিয়মিত বৈঠক অনুষ্ঠিত কৰা আৰু সীমা সমস্যা সমাধানৰ ক্ষেত্ৰত দুয়োখন ৰাজ্যৰ লোকৰ সহযোগিতা তথা আস্থা আদায় কৰাত গুৰুত্ব দিয়াৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

০০০০০০

মহানগৰীৰ কৃত্ৰিম বান সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগে জনসাধাৰণৰ পৰা পৰামৰ্শ গ্ৰহণৰ অৰ্থে এখন কাৰিকৰী সমিতি গঠন কৰিছে। কামৰূপ মহানগৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা সমিতিয়ে এখন জাননীৰ জৰিয়তে জনাইছে যে মহানগৰীৰ কৃত্ৰিম বানৰ সমস্যা সমাধানৰ সন্দৰ্ভত জনসাধাৰণে কিবা পৰামৰ্শ দিব বিচাৰিলে suggestionfloodmitigation@gmail.comত ই-মেইলযোগে অহা ২৪ আগষ্টৰ ভিতৰত প্ৰেৰণ কৰিব পাৰিব।

ইপিনে গুৱাহাটীত কালি নিশা হোৱা এজাক ধাৰাষাৰ বৰষুণৰ ফলত বিভিন্ন অঞ্চল কৃত্ৰিম বানত বুৰ যোৱাৰ লগতে অধিকাংশ স্থানত তীব্ৰ যান-জঁটৰ সৃষ্টি হয়। কৃত্ৰিম বানৰ প্ৰসংগত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে, গুৱাহাটীৰ বানৰ বাবে চুবুৰীয়া ৰাজ্য মেঘালয়ত হৈ থকা অবাধ পাহাৰ খননেই প্ৰধানকৈ দায়ী। চুবুৰীয়া ৰাজ্যখনে যিমানেই পাহাৰ কাটিব সিমানেই মহানগৰীত কৃত্ৰিম বানৰ সমস্যা বৃদ্ধি পাব বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ চৰাইদেউ মৈদাম সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত খিলঞ্জীয়া তথা জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ আয়ুক্ত সচিব ৰঞ্জন শৰ্মাৰ লগতে পুৰাতত্ব সঞ্চালকালয়ৰ সঞ্চালিকা ডং দীপিৰেখা কৌলি উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাৰ্তা সম্পাদক মানস প্ৰতীম শৰ্মাই।

০০০০০০

ব্ৰহ্মপুত্ৰৰ ওপৰত থকা পুৰণি শৰাইঘাট দলংখনৰ জৰুৰীভাৱে মেৰামতি কৰাৰ বাবে আজি নিশা ১১ বজাৰ পৰা কাইলৈ পুৱা ৫ বজাপৰ্যন্ত দলংখনৰে যাতায়াতৰ সুবিধা বন্ধ থাকিব। এই সময়ছোৱাত নতুন দলংখনেৰেই উভয় দিশৰ পৰা যান-বাহনে অহা-যোৱা কৰিব লাগিব। উত্তৰ-পূব সীমান্ত ৰে'লৱেই আজি এখন প্ৰেছ বিজ্ঞপ্তি যোগে এই কথা প্ৰকাশ কৰিছে।

০০০০০০

অসমক প্ৰতিনিধিত্ব কৰা গুৱাহাটীৰ বেটকুছি হাইস্কুলে চলিত ৬৩ সংখ্যক সুব্ৰত কাপ ফুটবল প্ৰতিযোগিতাৰ জুনিয়ৰ ছোৱালী শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতীয় বায়ুসেনাই আয়োজন কৰা প্ৰতিযোগিতাখনৰ নতুন দিল্লীৰ জি ডি গোৱেংকা এডুকেশ্বন চিটী গ্ৰাউণ্ডত অনুষ্ঠিত গ্ৰুপ-এৰ অন্তিমখন খেলত কালি বেটকুছি হাইস্কুলে মেঘালয়ৰ জৱাহৰ নবোদয় বিদ্যালয়ক ৪-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। গুৱাহাটীৰ এই দলটোৱে গ্ৰুপৰ চাৰিখন খেলৰ তিনিখনত জয় আৰু এখন ড্ৰ' খেলী অপৰাজেয় হৈ শীৰ্ষ দল হিচাপে কোৱাৰ্টাৰ

ফাইনেলত স্থান নিশ্চিত কৰিছে। দলটোৱে কোৱাৰ্টাৰ ফাইনেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে নতুন দিল্লীত চলি থকা প্ৰতিযোগিতাখনত এইবাৰ অভিলেখ সংখ্যক দেশ তথা বিদেশৰ ১১১টা দলে অংশগ্ৰহণ কৰিছে।

০০০০০০

ৰাজ্যৰ ক্ষুদ্ৰ ব্যৱসায়ী সকলক জি এছ টি সম্পৰ্কীয় বিষয়ত কৰ আয়ুক্তৰ কাৰ্যালয়ে জাৰী কৰা জাননীৰ ফলত সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ পৰা সকাহ দিয়াৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত ৰাজ্যিক কেবিনেটৰ বৈঠকত কালি গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেবিনেটত লোৱা সিদ্ধান্তমৰ্মে এতিয়াৰে পৰা ৫ লাখ টকাতকৈ অধিক বিল বা কৰ মূল্য হ'লেহে ক্ষুদ্ৰ ব্যৱসায়ী এজনলৈ জি এছ টি জাননী প্ৰেৰণ কৰা হ'ব। ইয়াৰ ফলত ভৱিষ্যতে ক্ষুদ্ৰ ব্যৱসায়ীসকলে পুৰণি জাননী তথা জৰিমনা আদি ভৰাৰ পৰা সকাহ লাভ কৰিব। ইয়াৰ দ্বাৰা প্ৰায় ৯০ হাজাৰ ক্ষুদ্ৰ ব্যৱসায়ী লাভান্বিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিছে।

০০০০০০

ভাৰতৰ অমন শ্বেহৰাৱটে সুন্দৰ প্ৰদৰ্শনেৰে পেৰিছ অলিম্পিকৰ পুৰুষৰ মল্লযুদ্ধৰ ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত ব্ৰঞ্জৰ পদক দখল কৰিছে। শ্বেহৰাৱটে কালি ব্ৰঞ্জৰ পদকৰ যুঁজত পুৱেৰ্টো ৰিকোৰ ডেৰিয়ন ক্ৰুজক ১৩-৫ ফলাফলত পৰাভূত কৰে। এইবাৰৰ অলিম্পিকত এয়া ভাৰতৰ ষষ্ঠটো আৰু মল্লযুদ্ধত প্ৰথমটো পদক। অমনে এই জয়েৰে ২০০৮ চনৰে পৰা অলিম্পিকৰ মল্লযুদ্ধত ভাৰতৰ পদক জয়ৰ ধাৰা অক্ষুণ্ণ ৰখাত সহায় কৰিলে। উল্লেখযোগ্য যে যোৱা ১৬ জুলাইত জন্মদিন উদযাপন কৰা অমনে ২১ বছৰ ২৪ দিনত অলিম্পিক পদক জয় কৰি ভাৰতৰ কনিষ্ঠতম ক্ৰীড়াবিদ হিচাপে পৰিগণিত হৈছে। ইয়াৰ পূৰ্বে দুবাৰকৈ অলিম্পিক পদক জয় কৰা মহিলা শ্বাটলাৰ পি ভি সিন্ধুই ২০১৬ চনত ৰিঅ' অলিম্পিকত ২১ বছৰ এমাহ আৰু ১৪ দিনত ৰূপ জয় কৰিছিল। উল্লেখযোগ্য যে ২০০৮ চনৰ বেইজিঙৰ পৰা ২০২৪ৰ পেৰিছলৈ ভাৰতে ধাৰাবাহিকভাৱে ৫ খন অলিম্পিকত মল্লযুঁজত ৭টা পদক লাভ কৰিছে।

ৰাষ্ট্ৰপতি, উপ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে পেৰিছ অলিম্পিকত ব্ৰঞ্জৰ পদক লাভ কৰাৰ বাবে শ্বেহৰাৱটক অভিনন্দন জনাইছে। ইপিনে ভাৰতৰ অন্তিমগৰাকী প্ৰতিদ্বন্দ্বী ৰিতিকা হুদাই আজি মহিলাৰ মল্লযুদ্ধৰ ৭৬ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত অভিযান আৰম্ভ কৰিব। ২২ বছৰীয়া খেলুৱৈগৰাকী প্ৰথম ৰাউণ্ডত হাংগেৰীৰ বৰ্নাডেট নেগীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। একেদৰে অদিতী, অশোক আৰু দীক্ষা দাগৰে আজি দুপৰীয়া চাৰে ১২ বজাত গল্ফৰ নিজ নিজ শিতানৰ অন্তিম ৰাউণ্ডত ভাগ ল'ব।

০০০০০০

বাংলাদেশৰ পৰিস্থিতিক লৈ কেন্দ্ৰীয় চৰকাৰে সমিতি গঠন কৰা সন্দৰ্ভত গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে বাতৰিটো প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। ৰাজ্য চৰকাৰ এইবাৰ বেচৰকাৰী বিদ্যালয়ত পঢ়া শিক্ষাৰ্থীৰ মাছুল আদায় দিয়াৰ চিন্তা চৰ্চা কৰিছে। এই সম্পৰ্কে দৈনিক অসম কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিক THE SENTINEL কাকতেও প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে। কেইবাজনো প্ৰাক্তন বিধায়ক আৰু অৱসৰপ্ৰাপ্ত আমোলাই কংগ্ৰেছ দলত যোগদান কৰাৰ বাতৰিটো প্ৰায়কেইখন কাকতেই আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত স্থান দিছে। ৰাজ্যসভাৰ

সভাপতি তথা উপ ৰাষ্ট্ৰপতি জগদীপ ধনখৰৰ বিৰুদ্ধে বিৰোধী পক্ষই মহাভিযোগৰ প্ৰস্তাৱ উত্থাপনৰ প্ৰস্তুতি চলাইছে। এই বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। নিত্য ব্যৱহাৰ্য্য ৭০ বিধ ঔষধৰ দাম কমিছে। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ৱাকফ সংশোধনী বিধেয়ক চালি জাৰি চাবলৈ ৩১ জন সাংসদৰে যুটীয়া সংসদীয় কমিটি গঠন কৰা হৈছে। এই বাতৰিটো THE SENTINEL আৰু THE TIMES OF INDIA কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে: ভাৰতত সোমাবলৈ হাজাৰ হাজাৰ বাংলাদেশীৰ অপেক্ষা, হিংসা বন্ধ নহ' লে পদত্যাগৰ ভাবুকি ইউনুছৰ, হাচিনাৰ প্ৰত্যাৱৰ্তনৰ দাবী আৱামী লীগৰ, জয় শ্ৰীৰাম ধ্বনিৰে সীমান্তত ভিৰ বাংলাদেশী শৰণাৰ্থীৰ, গুৱাহাটী IITত ছাত্ৰীৰ আত্মহনন, USTMৰ পাহাৰ ধ্বংসক ফ্লাদ জিহাদ আখ্যা মুখ্যমন্ত্ৰীৰ, নীপকোৰ পানীয়ে সৃষ্টি কৰিছে দুৰ্যোগ, খুমটাই, মৰঙিত বানৰ তাণ্ডৱ, পুনৰ ৰেল দুৰ্ঘটনা, উভতিল বন্দে ভাৰত ইত্যাদি।

এয়াই আছিল গুৱাহাটীৰপৰা আজি প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত